- ৭৩ নং সংশোধনী আইন ঃ

স্বাধীনতাৰ সময়ৰেপৰা পঞ্চায়তীৰাজ ব্যৱস্থাৰ সৃষ্টি কৰা হৈছে যদিও সামগ্ৰিকভাৱে পঞ্চায়ত ব্যৱস্থা কৃতকাৰ্য হোৱা বুলি ক'ব নোৱাৰি। সেয়ে ১৯৭৭ চনত আশোক মেহতাৰ সভাপতিত্বত পঞ্চায়তীৰাজ ব্যৱস্থাৰ সফলতাৰ বাবে জনতা চৰকাৰে এখন কমিটী গঠন

1977

কৰি দিছিল। ১৯৮৬ চনত ৰাজীৱ গান্ধী নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰে এল. এম. সিংভি (L. M. Singvi)ৰ নেতৃত্বত পঞ্চায়তীৰাজ ব্যৱস্থাক সাংবিধানিক মৰ্যাদা প্ৰদান কৰিবলৈ পৰামৰ্শ দিয়ে। সেইমৰ্মে ১৯৮৯ লোকসভাত এখন বিধেয়ক উত্থাপন কৰে। প্ৰধানমন্ত্ৰী নৰসিংহ ৰাওৰ চৰকাৰে পুনৰ এই উদ্দেশে সদনত বিধেয়ক উত্থাপন কৰে। এই বিধেয়কখন সংসদৰ দুয়োখন সদনতে গৃহীত হৈ আইনত পৰিণত হয়।

- ৭৩ তম আইনৰ ধাৰা ঃ

১। এই কমিটীয়ে তিনিখলপীয়া পঞ্চায়তীৰাজ ব্যৱস্থাৰ পৰিৱৰ্তে দুইখলপীয়া পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্ৰচলন কৰিবলৈ পৰামৰ্শ দিছিল। এই কমিটীৰ মতে নিম্ন পৰ্যায়ত মণ্ডল পঞ্চায়তৰ ব্যৱস্থা থাকিব আৰু উচ্চ পৰ্যায়ত জিলা পৰিষদৰ ব্যৱস্থা থাকিব। মণ্ডল পঞ্চায়তত ১৫ জন সদস্যা থাকিব আৰু তেওঁলোকক প্ৰত্যক্ষভাৱে নিৰ্বাচিত কৰা হ'ব। ইয়াত মহিলা সদস্য আৰু অনুসূচিত জাতি আৰু জনজাতিৰ সদস্য থাকিব।

২। জিলা পৰিষদত ছয় প্ৰকাৰৰ সদস্য থাকিব। সদস্যসকলে তেওঁলোকৰ মাজৰপৰা এজনক জিলা পৰিষদৰ সভাপতি হিচাপে নিৰ্বাচিত কৰিব।

৩। পঞ্চায়তৰ আৰ্থিক অৱস্থা উন্নত কৰাৰ উদ্দেশ্যে কিছুমান বিষয়ৰ ওপৰত ৰাজহ বহুৱাই আদায় কৰাৰ ক্ষমতা দিবলৈ এই কমিটীয়ে পৰামৰ্শ দিছিল।

৪। ৰাজনৈতিক কাৰণত এই অনুষ্ঠানসমূহ ভাঙি দিয়া চৰকাৰে ইয়াৰ দায়িত্ব লোৱাটো বিবেচনা কৰা নাছিল আৰু ভাঙি দিলেও ছয়মাহৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে এই কমিটীয়ে পৰামৰ্শ আগবঢ়াইছিল।

৫। শতকৰা ৩৩ খন আসন মহিলাৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগিব। সংবিধানৰ ৩৩৪ নং অনুচ্ছেদত সংৰক্ষণ ব্যৱস্থা অব্যাহত থকালৈকে মহিলাৰ সংৰক্ষণৰ ব্যৱস্থা চলি থাকিব।

৬। পঞ্চায়ত সদস্য পদৰ বাবে কিছুমান অৰ্হতা নিৰ্ধাৰণ কৰিছে। কোনো কাৰণত অৰ্হতা সম্পৰ্কে বিতৰ্কৰ সৃষ্টি হ'লে ৰাজ্যপালৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্তৰূপে পৰিগণিত হয়।

৭। পঞ্চায়তৰ কাৰ্যকাল ৫ বছৰ।

৮। ৰাজ্যপাল পঞ্চায়তী ব্যৱস্থাৰ বিত্তীয় অৱস্থাৰ পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে বিত্ত আয়োগ গঠন কৰিব লাগিব। ৰাজ্যিক চৰকাৰ আৰু পঞ্চায়তৰ মাজত ৰাজহৰ বিতৰণ, সঞ্চয় নিধিৰ পৰা পঞ্চায়ত আৰু নগৰপালিকাসমূহলৈ আগবঢ়োৱা অনুদান আদিৰ নিৰূপণ কৰি ৰাজ্যপালক পৰামৰ্শ প্ৰদান কৰাই হৈছে বিত্ত আয়োগৰ প্ৰধান কাম।

- মূল্যায়ন ঃ এই আইনে মহিলাৰ বাবে শতকৰা ৩৩ খন আসন সংৰক্ষণৰ যোগেদি গুৰুত্ব লাভ কৰিছে। গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা কৰি স্ব-শাসিত গোটসমূহক সাংবিধানিক মৰ্যাদা প্ৰদান কৰিছে। তৃণমূল পৰ্যায়ত গণতন্ত্ৰক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিব বিচৰা হৈছে যে সকলো ক্ষেত্ৰতে ভাৰত সফল হয়। মহিলা সবলীকৰণক সম্ভৱ কৰাৰো ই এক পদক্ষেপ।